# **REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-MAR-2026

**Time :** 1100 Hrs

***Assamese 11 PM Bulletin***

------------------------------

oooooo

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আজি বৰাগাঁৱত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হিতাধিকাৰীসকললৈ প্ৰাৰম্ভিক মূলধনৰ চেক বিতৰণ কৰিছে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে মহিলাসকলক স্বাৱলম্বিতা অৰ্জনৰ ক্ষেত্ৰত এই মূলধনে সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। এই পৰ্যন্ত ৰাজ্যৰ ১১৮টা সমষ্টিত ২৯ লাখ ২৮ হাজাৰ ৮৪৪গৰাকী মহিলাই ১০ হাজাৰ টকাকৈ লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে।

ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তিৰ অংশ হিচাপে আজি পুনৰ ৫ হাজাৰ ৭৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। আজি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত কিছু সময় পাছতে মুখ্যমন্ত্ৰীয়ে নতুনকৈ চাকৰি লাভ কৰা সকলক নিযুক্তি পত্ৰ প্ৰদান কৰিব। এই অনুষ্ঠানত প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ ৪ হাজাৰ ৫০০০গৰাকী শিক্ষকক আৰু চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ৪গৰাকী অধ্যক্ষক নিযুক্তি দিয়া হ'ব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, যোৱা ৪ মাৰ্চ পৰ্যন্ত বৰ্তমানৰ চৰকাৰখনে ১ লাখ ৫৮ হাজাৰ ৬৬৯ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিছে।

ইপিনে, এডভাণ্টেজ আছামৰ দ্বিতীয় পৰ্যায়ত প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যে অসম চৰকাৰ আৰু বিনিয়োগকাৰীৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হ'ব। গুৱাহাটীৰ শ্ৰীশ্ৰীদামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিয়লি ৪ বজাত আয়োজিত অনুষ্ঠানত মুঠ ২ লাখ ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ বাবে স্বাক্ষৰ কৰা হ'ব। ব্যক্তিগত ক্ষেত্ৰভিত্তিক ১ লাখ ৪০ হাজাৰ কোটি, আন্তঃগাঁঠনি ক্ষেত্ৰভিত্তিক ৫৪ হাজাৰ কোটি আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ৬৩ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

oooooo

অসম আৰক্ষীৰ বিশেষ বাহিনীয়ে জেহাদী সংগঠনৰ সৈতে জড়িত থকাৰ অভিযোগত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। বৰপেটা আৰু বজালীত অভিযান চলাই গ্ৰেপ্তাৰ কৰা এই লোক দুজন চাহিদুল ইছলাম আৰু জাহিনুৰ ইছলাম বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। জেহাদী সংগঠন আনছাৰুল্লা বাংলা টীম আৰু জামাতুল মুজাহিদীন কাম কৰাৰ তথ্যৰ আধাৰত আৰক্ষীয়ে দুয়োকে গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে পূৰ্বে জেহাদী কাৰ্য্যকলাপৰ বিৰুদ্ধে অভিযান চলাই আৰক্ষীয়ে ১৬ জন লোকক গ্ৰেপ্তাৰ কৰিছিল। এই সন্দৰ্ভত আৰক্ষী বিষয়াই এইদৰে প্ৰকাশ কৰে-

বাইট

০০০০০০

রাজ্যসমূহত ৰন্ধন গেছ আৰু অন্যান্য ইন্ধন পৰ্যাপ্ত পৰিমাণে মজুত থকাটো নিশ্চিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ মুখ্য সচিব পৰ্যায়ত উচ্চ ক্ষমতা সম্পন্ন একোখন সমিতি গঠন কৰি দিছে। কালি কেন্দ্ৰীয় গৃহ সচিব, ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানসকলৰ এখন ভাৰ্চুৱেল বৈঠকত এই বিষয়ে সিদ্ধান্ত লোৱা হয়। এই সমিতিসমূহে ইন্ধনৰ যোগান শৃংখলা সূক্ষ্মভাৱে নিৰীক্ষণ কৰিব। মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উৰা বাতৰি আৰু ভ্ৰান্ত তথ্যৰ দ্বাৰা পৰিচালিত হৈ জনসাধাৰণে যাতে আগতীয়াকৈ অধিক পৰিমাণে ৰন্ধন গেছৰ চিলিণ্ডাৰ নাইবা অন্য ইন্ধন মজুত কৰাৰ চেষ্টা নকৰে সেই সন্দৰ্ভতো সমিতিখনে দৃষ্টি ৰাখিব। এনে ধৰণৰ উৰা বাতৰি ধৰা পেলোৱা আৰু ভ্ৰান্ত তথ্য দূৰ কৰাৰ বাবে সংবাদ মাধ্যম নিৰীক্ষণ সমিতি এখনো গঠন কৰা হৈছে। তদুপৰি বিধি বলৱৎকাৰী সংস্থাসমূহক ইন্ধনৰ সংকট হ'ব বুলি জনসাধাৰণৰ মাজত আশংকাৰ সৃষ্টি কৰিব খোজা যিকোনো ব্যক্তি নাইবা সংস্থাৰ বিৰুদ্ধে কঠোৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই ব্যৱস্থাৰ অংশ হিচাপে গ্ৰাহকক এটা চিলিণ্ডাৰ ক্ৰয় কৰাৰ ২৫ দিন পিছতহে আন এটা চিলিণ্ডাৰ যোগান ধৰা হ'ব। স্বাস্থ্য প্ৰতিষ্ঠান, শিক্ষা প্ৰতিষ্ঠান আৰু পৰিয়ালসমূহক ৰন্ধন গেছ যোগানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব বুলি বৈঠকত কোৱা হৈছে। কালিৰ এই বৈঠকত ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটা আৰু আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে অংশগ্ৰহণ কৰে। বৈঠকত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়াৰ লগতে বিপণন কোম্পানীসমূহৰ প্ৰতিনিধিও উপস্থিত থাকে। বৈঠকত অংশ লৈ ভাৰতীয় তেল নিগম লিমিটেডৰ ৰাজ্যিক পৰ্যায়ৰ সমন্বয়কে অসমত পৰ্যাপ্ত পৰিমাণে ৰন্ধন গেছ মজুত আছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে স্থানীয় শোধনাগাৰসমূহে ৰাজ্যৰ ৰন্ধন গেছৰ চাহিদাৰ ৩০ শতাংশ পূৰণ কৰিব পাৰে আৰু তেওঁলোকক উৎপাদন বৃদ্ধি কৰি যোগান নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। জনসাধাৰণৰ সুবিধাৰ বাবে ভাৰতীয় তেল নিগম লিমিটেডে ৰন্ধন গেছৰ যোগান সম্পৰ্কত থকা যিকোনো আশংকা দূৰ কৰিব পৰাকৈ ১৮০০-২৩৩-৩৫৫৫ এই টোল ফ্ৰি নম্বৰ মুকলি কৰিছে। ৰাজ্য চৰকাৰে ইন্ধনৰ পৰ্যাপ্ততা সন্দৰ্ভত সূক্ষ্ম দৃষ্টি ৰাখিছে আৰু পৰ্যাপ্ত যোগান নিশ্চিত কৰিবলৈ সংশ্লিষ্টসকলক নিৰ্দেশ দিছে।

০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত কাইলৈ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। দক্ষিণ শালমাৰা মানকাচৰ জিলাতো লোক আদালতৰ বাবে প্ৰস্তুতি চলিছে। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী আৰু অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত জিলাখনৰ হাটশিঙিমাৰীৰ ফেকামাৰীত লোকআদালত অনুষ্ঠিত হ'ব। হাটশিঙিমাৰীৰ জিলা সত্ৰ ন্যায়াধীশৰ আদালতত হ'বলগীয়া এই কাৰ্যসূচীত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক আৰু ৰাজহ সক্ৰান্তীয় গোচৰৰ লগতে পথ দুৰ্ঘটনা সংক্ৰান্তীয় গোচৰ, বেংকৰ ঋণ আদি বিষয় সমূহ খৰতকীয়াকৈ নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হ'ব। ইচ্ছুক ব্যক্তি সকলে এই সন্দৰ্ভত  অধিক তথ্যৰ বাবে জিলা আইন সেৱা প্ৰাধিকাৰী কাৰ্য্যালয়ত যোগাযোগ কৰিব পাৰিব বুলি জিলা আইন সেৱা প্ৰাধিকাৰী সচিব জয়ন্ত কুমাৰ শইকীয়াই প্ৰকাশ কৰে।

০০০০০০

**সমাপ্ত**